**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ভাৰতে অৰ্ধ-পৰিবাহী খণ্ডৰ বাবে অনুকূল তন্ত্ৰ নিৰ্মাণ কৰি আছে আৰু ই দেশক আত্ম-নিৰ্ভৰ আৰু গোলকীয় পৰ্য্যায়ত প্ৰতিস্পৰ্ধামুখী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰত বহনক্ষমতা বিষয়ক প্ৰতিশ্ৰুতিবদ্ধতা পূৰণৰ ক্ষেত্ৰত জি টুৱেণ্টি দেশসমূহৰ ভিতৰত অন্যতম বুলি মন্তব্য কৰিছে।

৩। অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ অভ্যন্তৰীণ জল পৰিবহণ আন্তঃগাথনিত বিগত দুবছৰত এহেজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰা হৈছে।

৪। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং চৌহানে ন্যূনতম সমৰ্থন মূল্য আঁচনিৰ অধীনত খেতিয়কৰ পৰা সুকলমে কপাহ ক্ৰয়ৰ বাবে আজি কপাহ্ কিষাণ এপ মুকলি কৰে।

*আৰু*

৫। আফগানিস্তানৰ পূব প্ৰান্তত দেওবাৰে অহা ৬ প্ৰাৱল্যৰ ভূইকঁপৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ১২৪লৈ বৃদ্ধি পাইছে।

ooooo

ভাৰতে অৰ্ধ-পৰিবাহী খণ্ডৰ বাবে অনুকূল তন্ত্ৰ নিৰ্মাণ কৰি আছে আৰু ই দেশক আত্ম-নিৰ্ভৰ আৰু গোলকীয় পৰ্য্যায়ত প্ৰতিস্পৰ্ধামুখী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ছেমিকন ইণ্ডিয়া-২০২৫ শীৰ্ষক সন্মিলন উদ্বোধন কৰাৰ পাছত এটা সমাৰেশত ভাষণ দি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে গোলকীয় অৰ্ধ-পৰিবাহী বজাৰৰ পৰিধি ইতিমধ্যে ৬০ হাজাৰ কোটি ডলাৰ হৈছে আৰু অনাগত সময়ত এই পৰিমাণ ১ লাখ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে ভাৰত এই গোলকীয় অৰ্ধ পৰিবাহী বজাৰৰ গুৰুত্বপূৰ্ণ অংশীদাৰ হ'ব বুলি আস্থা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে ডিজাইন, নিৰ্মাণ, পেকেজিং আৰু উচ্চ প্ৰযুক্তিৰ আহিলা-পাতি নিৰ্মাণ কৰি আছে। ভাৰতে ঘৰুৱাভাৱে নিৰ্মিত চিপছৰ  মাধ্যমেৰে নিত্য-নতুন প্ৰযুক্তি খণ্ডক সৰল কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে বিশ্বই ভাৰতক বিশ্বাস কৰে আৰু ভাৰতৰ সৈতে অৰ্ধ পৰিবাহী খণ্ডৰ ভৱিষ্যৎ গঢ়ি তুলিবলৈ সাজু। তেওঁ লগতে ছেমি কন ইণ্ডিয়া সন্মিলনত অংশগ্ৰহণ কৰা ৪০ৰ পৰা ৫০ খন দেশৰ অৰ্ধ পৰিবাহী খণ্ডৰ বিশেষজ্ঞসকলক আদৰণি জনায়। চলিত বিত্তীয় বৰ্ষত প্ৰথম তিনিমাহৰ দেশৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে পুনৰ সকলো ধৰণৰ আশা আৰু অনুমানক চেৰ পেলাইছে। তেওঁ কয়, যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ অৰ্থ-ব্যৱস্থাসমূহ আৰ্থিক স্বাৰ্থৰ সৈতে জড়িত উদ্বেগ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বিপৰীতে ভাৰতে ৭ দশমিক ৮ শতাংশ বিকাশ হাৰ অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে ভাৰতৰ দ্ৰুত বিকাশে উদ্যোগ আৰু জনসাধাৰণৰ মাজত নতুন উদ্যমৰ সঞ্চাৰ কৰিছে।

আজি আৰম্ভ হোৱা এই তিনিদিনীয়া ছেমিকন ইণ্ডিয়া সন্মিলনত দেশত অৰ্ধ-পৰিবাহী খণ্ডৰ বাবে অনুকূল শক্তিশালী আৰু বহনক্ষম তন্ত্ৰ আগুৱাই নিয়াত গুৰুত্ব আৰোপ কৰে। এই সন্মিলনত স্মাৰ্ট নিৰ্মাণ, গৱেষণা খণ্ডৰ উদ্ভাৱন, উন্নয়ন আৰু কৃত্ৰিম বুদ্ধিমত্তা, বিনিয়োগৰ সুযোগ, ৰাজ্যিক পৰ্য্যায়ত নীতি ৰূপায়ণকে ধৰি বিভিন্ন বিষয়ত সুকীয়া সত্ৰৰ আয়োজন কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ মুখ্য কাৰ্য্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিব।

ooooo

ভাৰত বহনক্ষমতা বিষয়ক প্ৰতিশ্ৰুতিবদ্ধতা পূৰণৰ ক্ষেত্ৰত জি টুৱেণ্টি দেশসমূহৰ ভিতৰত অন্যতম বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ভাৰতীয় উদ্যোগ সংঘৰ কুৰিসংখ্যক গোলকীয় বহনক্ষমতা শীৰ্ষ সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰীগোৱেলে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন সন্মিলন কপ্ টুৱেণ্টি ৱান সফল কৰি তোলাত নিৰ্ণায়ক ভূমিকা পালন কৰিছে। তেওঁ কয়, যে ভাৰত বহনক্ষম বিকাশৰ লক্ষ্যৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। ভাৰতে এনে প্ৰতিশ্ৰুতিৰ অংশ হিচাপে ২০১৪ চনৰ পাছত নৱীকৰণযোগ্য শক্তিৰ লক্ষ্য ৫ গুণ বৃদ্ধি কৰি আৰু এখন ৰাষ্ট্ৰ-এটা নীতিৰ অধীনত এটা আন্তঃসংযোজিত ৰাষ্ট্ৰীয় গ্ৰীড সফলতাৰে গঢ়ি তুলিছে বুলি শ্ৰীগোৱেলে জানিবলৈ দিয়ে। শক্তি খণ্ডত দেশৰ সাফল্যৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে নিৰ্ধাৰিত সময়ৰ পূৰ্বেই নৱীকৰণযোগ্য শক্তিৰ লক্ষ্যত উপনীত হৈছে আৰু ৫০ শতাংশ নৱীকৰণযোগ্য শক্তি সামৰ্থ্য ইতিমধ্যে গঢ়ি তোলা হৈছে। ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট অনা-জীৱাশ্ম ইন্ধন উৎপাদন সামৰ্থ্য গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ অভ্যন্তৰীণ জল পৰিবহণ আন্তঃগাথনিত বিগত দুবছৰত এহেজাৰ কোটিৰো অধিক ধন বিনিয়োগ কৰা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ মুম্বাইত হ'বলগীয়া ভাৰতীয় সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ পাছত এই কথা প্ৰকাশ কৰে। তেওঁ সকলো অংশীদাৰকে ভাৰতীয় সামুদ্ৰিক সপ্তাহৰ কাৰ্যসূচীলৈ আদৰণি জনোৱাৰ লগতে দেশৰ সৰ্ববৃহৎ সামুদ্ৰিক কাৰ্যসূচীৰ অংশ হবলৈ আহ্বান জনায়। এই কাৰ্যসূচীত কমেও এশ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই অনুষ্ঠানৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ ব্যৱহাৰ পৰ্যটন খণ্ডৰ প্ৰসাৰৰ দিহা কৰা হ'ব। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জল

পৰিবহণ খণ্ডৰ বিকাশৰ অংশীদাৰ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ কয়। শ্ৰীসোণোৱালে কয় যে অসমত গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ১৪ খন প্ৰমোদতৰী চলাচল কৰি আছে। ব্ৰহ্মপুত্ৰত ২০২৭ চনৰ ভিতৰত দুখন প্ৰমোদতৰী চলাচল কৰোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। ২৫০ কোটি টকা ব্যয় সাপেক্ষে কোলকাতাত জাহাজ দুখন নিৰ্মাণ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে জাৰ্মানীৰ আগশাৰীৰ পৰিবহন কোম্পানী ৰেনাছ লজিষ্টিক প্ৰাইভেট লিমিটেডে বৰাক-ব্ৰহ্মপুত্ৰ আৰু গংগাক লৈ অধ্যয়ন সম্পূৰ্ণ কৰিছে। এই অধ্যয়নত বৰাক, ব্ৰহ্মপুত্ৰ আৰু গংগাত মালবাহী জাহাজ চলাচলৰ সুবিধা আছে বুলি প্ৰকাশ কৰা হয়।

তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সামুদ্ৰিক খণ্ডত নতুন অধ্যায় সংযোজন কৰিবলৈ সমৰ্থ হৈছে। সাগৰমালা প্ৰকল্পৰ পৰা হৰিতসাগৰ প্ৰকল্পলৈকে, জলবাহক সামগ্ৰী পৰিবাহী জাহাজৰ পৰা হৰিত নৌকা অভিযানলৈকে ভাৰতে বন্দৰ, জলপথ আৰু জাহাজ পৰিবহন খণ্ডৰ অভূতপূৰ্ব ৰূপান্তৰ সাধন কৰিছে বুলি তেওঁ কয়। এই ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চল এক্ট ইষ্ট নীতিৰ অধীনত দেশৰ বিকাশৰ শক্তিশালী ইঞ্জিন হিচাপে পৰিগণিত হৈছে বুলি তেওঁ উল্লেখ কৰে। পৰিবহন মন্ত্ৰী যোগেন মহনৰ সৈতে ৱাটাৰ ভয়েজ নৰ্থ-ইষ্ট শীৰ্ষক এই ৰোড শ্ব'ত অংশ লোৱাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলো সম্বোধন কৰে।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং চৌহানে ন্যূনতম সমৰ্থন মূল্য আঁচনিৰ অধীনত খেতিয়কৰ পৰা সুকলমে কপাহ ক্ৰয়ৰ বাবে আজি কপাছ কিষাণ এপ মুকলি কৰে। এই এপৰ জৰিয়তে খেতিয়কসকলৰ নাম পঞ্জীয়ন কৰি কপাহ বিক্ৰীৰ বাবে শ্লট বুকিং কৰিব পাৰিব আৰু ধনাদায়ৰ স্থিতিৰ বিষয়ে জানিব পাৰিব।

০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে আজি নতুন দিল্লীত দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত শীৰ্ষ স্থান দখল কৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক অভ্যৰ্থনা জনায়। অনুষ্ঠানত ড০ কুমাৰে শিক্ষা আৰু সামাজিক ন্যায়ৰ ক্ষেত্ৰত ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ বি আৰ আম্বেদকাৰৰ অৱদানৰ বিষয়ে আলোকপাত কৰে। তেওঁ লগতে শিক্ষা, জলপানি আৰু কল্যাণমূলক আঁচনিৰ জৰিয়তে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অনগ্ৰসৰ সম্প্ৰদায়সমূহৰ সৱলীকৰণৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে।

০০০০০

আফগানিস্তানৰ পূব প্ৰান্তত দেওবাৰে অহা ৬ প্ৰাবল্যৰ ভূইকঁপৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ১২৪লৈ বৃদ্ধি পাইছে আৰু ৩ হাজাৰ ২৫১ জন লোক আহত হৈছে। সূত্ৰৰ পৰা জানিব পৰা মতে, ভূইকঁপৰ ফলত ৮ হাজাৰৰো অধিক বাসগৃহ সম্পূৰ্ণৰূপে বা আংশিকভাৱে ধ্বংস হৈছে। ইয়াৰে অধিকাংশ বাসগৃহ কুনাৰ প্ৰদেশৰ। সাহায্য আৰু উদ্ধাৰকাৰী দলে ধ্বংসস্তূপৰ মাজত আৱদ্ধ হৈ থকা লোকসকলৰ উদ্ধাৰ কৰাৰ বাবে কাম কৰি আছে। হতাহত লোকৰ তথ্য এতিয়ালৈকে চূড়ান্তভাৱে প্ৰকাশ কৰা হোৱা নাই।

০০০০০

জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ কেইবাখনো গাঁৱত আজি নিৰাপত্তা বাহিনীয়ে যৌথভাৱে ঘেৰাও আৰু তালাচী অভিযান চলায়। আকাশবাণী জম্মুৰ সংবাদদাতাই জনাইছে যে, স্থানীয় আৰক্ষী আৰু চি আৰ পি

এফৰ বিশেষ অভিযান গোটে কিছুসংখ্যক সন্দেহযুক্ত লোকৰ তথ্য লাভ কৰাৰ পাছত চয়িআন কাঠা, বাঞ্জোলা বনাঞ্চল, জালিয়ান-আজামাবাদ, খানেতাৰ ম'হ'ল্লা, কালচান আৰু দুপ্রিয়ানত যুটীয়াভাৱে তালাচী চলায়। ৰাষ্ট্রীয় ৰাইফলছ্ বাহিনীৰ সৈতে বিশেষ অভিযান গোটে কালিও মাঞ্জাকোটৰ বাউৰিন ঘালি, বেহৰা কচৰ আৰু ট'পা তথা মেন্ধাৰৰ মাংগলানু মানক'টেতো তালাচী অভিযান চলাইছিল। সেনাবাহিনীয়ে কালি পুঞ্চ জিলাৰ মেন্ধাৰৰ বালাকোট অঞ্চলত অনুপ্রৱেশ কৰিবলৈ চেষ্টা কৰা সন্ত্রাসবাদীৰ দল এটাক ঘেৰাও কৰি তেওঁলোকৰ চেষ্টা বিফল কৰে।

০০০০০

তেলেংগানাৰ ভাৰত ৰাষ্ট্ৰ সমিতিৰ অধ্যক্ষ, প্ৰাক্তন মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে তেওঁৰ কন্যা তথা বিধান পৰিষদৰ সদস্য কে. কবিতাক দল বিৰোধী কাৰ্য্য-কলাপত জড়িত থকাৰ অভিযোগত দলৰ পৰা বহিষ্কাৰ কৰিছে। হায়দৰাবাদত আজি দলৰ অনুশাসনৰ দায়িত্বত থকা টি ৰবীন্দৰ ৰাও আৰু সোমা ভাৰত কুমাৰে এই কথা ঘোষণা কৰি কে কবিতাৰ শেহতীয়া আচৰণ দলীয় স্বাৰ্থৰ বাবে ক্ষতিকাৰক বুলি কয়। শ্ৰীমতী কবিতাই কালেশ্বৰম প্ৰকল্পৰ চি বি আই তদন্ত চলি থকাৰ মাজতে তেওঁৰ খুৰাকৰ ল'ৰা হৰিশ ৰাও আৰু সন্তোষ কুমাৰে মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীৰ সৈতে গোপন বুজাবুজি কৰি ক চন্দ্ৰশেখৰ ৰাওক বদনাম কৰাৰ অভিযোগ তুলিছিল। উল্লেখযোগ্য যে, যোৱা বছৰ ১০০ কোটি টকাৰ সুৰা কেলেংকাৰীত কে কবিতাক গ্ৰেপ্তাৰ কৰা হৈছিল যদিও ৫ সপ্তাহৰ পাছতেই তেওঁ জামিন লাভ কৰিছিল।

০০০০০

সমাপ্ত